DAILY ASSAM

## ২৭। বাচ্য (Voices)

**২৭ ঃ ১** 'বাচ্য' মানে ক'বলগীয়া। প্ৰত্যয়ৰ যোগত ধাতু* আৰু ক্ৰিয়াৰ যোগত বাক্যই প্ৰধানভাৱে নিৰ্দিষ্ট ভাব প্ৰকাশ কৰে। বাক্যত ক্ৰিয়াই মুখ্য স্থান অধিকাৰ কৰে। ক্ৰিয়াৰ লগত আন আন পদৰ সংগতি থাকে। তেনে ক্ৰিয়াই কেতিয়াবা প্ৰধান কৰ্তাৰ বিষয়ে কয়, কেতিয়াবা কৰ্মৰ বিষয়ে আৰু কেতিয়াবা নিজ অৰ্থ প্ৰধানকৈ বুজায়।

'সি ভাত খালে।' ইয়াত খালে ক্ৰিয়াই 'সি' পদক প্ৰধানকৈ বুজাইছে আৰু 'সি' পদ অনুযায়ী 'খালে' তৃতীয় পুৰুষৰ স্বৰূপভূত কালত ৰূপ হৈছে। আকৌ 'তাৰ ভাত খোৱা হ'ল।' ইয়াত 'ভাত' কৰ্মটো প্ৰধানকৈ বুজাইছে। 'তাৰ যোৱা হ'ল।' ইয়াত 'যোৱা' ক্ৰিয়াটো প্ৰধান হৈ পৰিছে। এইদৰে বাক্যত ক্ৰিয়াই যাৰ বিষয়ে প্ৰধানকৈ কয় তাৰ নাম অনুযায়ী বাচ্য নিৰ্দিষ্ট কৰা হয়। গতিকে ক্ৰিয়াৰ পদ সংগতিয়েই বাচ্য।

**২৭ ঃ ২** বাক্যৰ বাচ্য চাৰি প্ৰকাৰত বিভাগ কৰিব পাৰি। যথা—

(১) কৰ্তৃবাচ্য, (২) কৰ্মবাচ্য, (৩) ভাববাচ্য আৰু (৪) কৰ্ম-কৰ্তৃবাচ্য।

### কৰ্তৃবাচ্য (Active Voice)

**২৭ ঃ ৩** যি বাক্যত কৰ্তা প্ৰধান হৈ বহে অৰ্থাৎ ক্ৰিয়া পদ কৰ্তা অনুযায়ী ৰূপ হৈ কৰ্তাকেই প্ৰধানকৈ বুজায় তাকেই কৰ্তৃবাচ্যৰ বাক্য বোলে। এই বাচ্যত কৰ্তাত প্ৰথমা বিভক্তি, ক্ৰিয়া সকৰ্মক হ'লে কৰ্মত দ্বিতীয়া বিভক্তি আৰু ক্ৰিয়াটো কৰ্তানুযায়ী পুৰুষ আৰু বিভিন্ন কালত ৰূপ হয়। যথা—

'মই যাওঁ।' 'তুমি কিতাপ পঢ়িছাঁ।' 'তই শুইছ।' 'সি বল খেলিছিল।' 'তিৰুৎসিঙে দেশৰ বাবে যুঁজিছিল।' 'লাচিতে মোগলক পৰাস্ত কৰিছিল।' ইত্যাদি।

---

* কৃৎ প্ৰত্যয়ৰ যোগত ধাতুটোৱে কেতিয়াবা তাৰ অৰ্থাৎ ক্ৰিয়াৰ অৰ্থ নাইবা কৰ্তা, কৰ্ম, কৰণ আদি কাৰকৰ অৰ্থ প্ৰকাশ কৰে বাবেই প্ৰত্যয়ৰ বাচ্য আখ্যা দিয়া হয়। ইয়াক দুটা ভাগত ভগাব পাৰি। (ক) ভাববাচ্য আৰু কাৰক বাচ্য। অকল ধাতুৰ অৰ্থ স্পষ্ট হ'লে ভাববাচ্য ; যথা— গম্ ধাতু অনট্ প্ৰত্যয় গমন। তেনেকৈ ভ্ৰমণ, মৰণ, উৰণ, গজন ইত্যাদি। ধাতুৰ লগত প্ৰত্যয়ৰ যোগত বিভিন্ন কাৰকৰ অৰ্থ প্ৰকাশ কৰিলে 'কাৰক বাচ্য' বুলি জনা যায়। যথা, দা √ ধাতু তৃ-প্ৰত্যয় দাতৃ, দাতা, দিওঁতা ; কৰ্তা কাৰকৰ অৰ্থ প্ৰকাশ কৰা বাবে কৰ্তবাচ্য। √ কৃ ধাতু ক্ত প্ৰত্যয় = কৃত (যাক কৰা হৈছে)— কৰ্মবাচ্য। √ বিচ্ ধাতু অনী প্ৰত্যয় = বিচনী (যাৰে বিচা যায়) কৰণ বাচ্য। তেনেকৈ অপাদান আৰু অধিকৰণৰ ভাবপ্ৰকাশক বাচ্য পাব পাৰি।

## কৰ্মবাচ্য (Passive Voice)

২৭ : ৪ যি বাক্যত কৰ্ম প্ৰধান হৈ পৰে অৰ্থাৎ কৰ্তাৰ সলনি কৰ্মৰ লগতহে ক্ৰিয়াৰ সংগতি হয়, তাকেই কৰ্মবাচ্যৰ বাক্য বোলে। এই বাচ্যৰ বাক্যৰ কৰ্তাত তৃতীয়া বা ষষ্ঠী বিভক্তি, কৰ্মত প্ৰথমা বিভক্তি আৰু ধাতুত আ-প্ৰত্যয় সংযোগ হৈ কৃদন্ত হৈ পৰে। কৃদন্ত মূল ধাতুৰ সহায়কাৰী হিচাপে 'হ' বা 'যা' ধাতু ১মা বিভক্তি যুক্ত কৰ্মৰ পুৰুষ অনুযায়ী সমাপিকা ৰূপ কৰা হয়। যথা—

"এই কাম কৰা হ'ব বা যাব।" ইয়াত কৰ্তা উহ্য আছে অৰ্থাৎ মোৰ দ্বাৰা আমাৰ দ্বাৰা, তোমাৰ বা তাৰ দ্বাৰা কৰা হয়। কৰ্ ধাতু কৃদন্ত হৈ 'কৰা' হৈছে আৰু সহায়কাৰী 'হ' বা 'যা' ধাতু 'এই কাম' অনুযায়ী তৃতীয় পুৰুষত সমাপিকা ক্ৰিয়াৰূপ হৈছে। গতিকে ই কৰ্মবাচ্যৰ বাক্য। ইয়াক কৰ্তৃবাচ্যলৈ পৰিৱৰ্তন কৰিলে এনে হ'ব- মই/আমি এই কাম কৰিম। তুমি/তোমালোকে এই কাম কৰিবাঁ। তই/তইঁতে এই কাম কৰিবি। সি/সিহঁতে এই কাম কৰিব।

তেনেকৈ, মোক দিয়া হয় (কৰ্ম)। মোক দিয়ে (কৰ্তৃ)। পুথি পঢ়া শেষ হ'ল (কৰ্ম)।

(ক) বাক্য শ্ৰুতিমধুৰ কৰিবলৈ সাধাৰণতে কৰ্তাটো উহ্য থাকে। যথা—

ইয়াৰ পৰা পৰ্বতখন দেখা যায়। (আমাৰ দ্বাৰা উহ্য)
ঘৰটো পোৰা গ'ল। (জুইৰ দ্বাৰা উহ্য)
সভাত বৰগীত গোৱা হৈছে। (তাইৰ দ্বাৰা উহ্য)
গুৰু সেৱা কৰা হ'ল। (মোৰ/আমাৰ/তোৰ/তোমাৰ/তোৰ আদিৰ দ্বাৰা উহ্য।)

(খ) কৰ্তাটো উল্লেখ থাকিলে তৃতীয়া বিভক্তি বা ষষ্ঠী বিভক্তি যুক্ত হয়। যথা—

মোৰ ভাত খোৱা হ'ল বা মোৰ দ্বাৰা ভাত খোৱা হ'ল (কৰ্ম)। মই ভাত খালোঁ (কৰ্তৃ)। ৰামৰ ব্যাকৰণ লিখা হ'ল বা ৰামৰ দ্বাৰা ব্যাকৰণ লিখা হ'ল (কৰ্ম)। ৰামে ব্যাকৰণ লিখিলে (কৰ্তৃ)।

(গ) কেতিয়াবা সকৰ্মক ক্ৰিয়াৰ কৰ্মৰ উল্লেখ থকা সত্ত্বেও কৰ্মত ১মা বিভক্তি নহৈ দ্বিতীয়া বিভক্তিৰ ৰূপতেই থাকে আৰু সহায়কাৰী ক্ৰিয়াটো ভাববাচ্যৰ দৰে সদায় তৃতীয় পুৰুষৰ ৰূপত সমাপিকা হয়। যথা—

(১) মোক মতা হ'ল (I have been called) (কৰ্ম-ভাববাচ্যৰ ৰূপ)।

(সি) মোক মাতিলে। (কৰ্তৃ)
তই মোক মাতিলি। (কৰ্তৃ)
তুমি মোক মাতিলা। (কৰ্তৃ)

(২) সি মোক ধৰিলে (কৰ্তৃ)। (তাৰ দ্বাৰা) মোক ধৰা হ'ল বা, মই ধৰা পৰিলোঁ (মৰ্ক)। কিন্তু তাৰ দ্বাৰা মোক ধৰা হ'ল (কৰ্ম—ভাববাচ্যৰ অনুৰূপ)।

(ঘ) নঞৰ্থ (Negative) হ'লেও সহায়কাৰী ক্ৰিয়াত 'ন' অব্যয় যোগ হৈ ক্ৰিয়াৰূপ হয়। যথা—

মোক মতা নহ'ল (কৰ্ম)। তাক পোৱা নগ'ল (কৰ্ম)।
তোমাক পোৱা নগৈছিল (কৰ্ম)।

(ঙ) কেতিয়াবা কৰ্তাহীন ক্ৰিয়াৰ কৰ্মই কৰ্তাৰ নিচিনা ব্যৱহাৰ হয়। ক্ৰিয়াটোত ই যোগ কৰা হয়। যথা—

ইয়াৰ পৰা তাৰ কথা শুনি বা শুনা যায় (কৰ্ম)।
কাৰো কথা নুশুনি বা শুনা নাযায় (কৰ্ম)।
দিনত তৰা নেদেখি বা দেখা নাযায় (কৰ্ম)।
নুবুজি তোমাৰ লীলা বা তোমাৰ লীলা বুজা নাযায় (কৰ্ম)।
বজাৰত সোণ নাপায় বা বজাৰত সোণ পোৱা নাযায় (কৰ্ম)।
বতাহ চকুৰে নেদেখি বা বতাহ চকুৰে দেখা নাযায় (কৰ্ম)।

(চ) কেতিয়াবা কৰ্তাত তৃতীয়া বিভক্তিৰ সলনি কৰ্মবাচ্যৰ বাক্যত সপ্তমী বিভক্তিহে ব্যৱহাৰ হয়। যথা—

জুইয়ে ঘৰটো পুৰিলে (কৰ্তৃ)। জুইত ঘৰটো পোৱা গ'ল (কৰ্ম)। বানপানীয়ে গাঁওখন ডুবালে (কৰ্তা)। বানপানীত গাঁওখন ডুব গ'ল (কৰ্ম)।

(ছ) মূল ধাতু আ-প্ৰত্যয় যোগ হৈ কৃদন্ত হোৱাৰ পিছত 'হ' বা 'যা' ধাতুৰ উপৰিও 'কৰ্' ধাতু সহায়কাৰী হিচাপে ব্যৱহাৰ হয়। যথা—

(১) মোক ধৰা হ'ল। (কৰ্ম-ভাববাচ্যৰ ৰূপ)।
মই ধৰা পৰিলোঁ। (কৰ্ম)।
(সি) মোক ধৰিলে। (কৰ্তৃ)

(২) সি মৰা পৰিল। (কৰ্ম)
তাক মৰা হ'ল। (যমে বা আনৰ দ্বাৰা, কৰ্ম-ভাববাচ্যৰ ৰূপ)।
সি মৰিল। (কৰ্তৃ)।

(জ) অপ্ৰাণীবাচক কৰ্মত ক বিভক্তি নাথাকে, কিন্তু প্ৰাণীবাচক কৰ্মত সদায় কৰ্ম কাৰকৰ ক বিভক্তি ব্যৱহাৰ হয়। যথা—

চুৰা ভাত (ক-উহ্য) গৰুক দিয়া হয়।

ইয়াত 'চুৰা ভাত' অপ্ৰাণীবাচক কৰ্মৰ 'ক' উহ্য আছে, কিন্তু 'গৰু' শব্দৰ কৰ্মকাৰকৰ ক উক্ত হৈছে।

## ভাববাচ্য (Intransitive Voice)

**২৭ ঃ ৫** যি বাক্যত ক্ৰিয়াই নিজ অৰ্থ প্ৰধানকৈ বুজায়, নাইবা কৰ্তা, কৰ্ম অপ্ৰধান হৈ ক্ৰিয়াকেই প্ৰধানকৈ দেখুৱায়, তাকেই ভাববাচ্যৰ বাক্য বোলে। কৰ্তাটো উহ্য থাকে বা ষষ্ঠী বিভক্তি যুক্ত হয়। মূল ধাতুটো আ-প্ৰত্যয়ান্ত কৃদন্ত শব্দ হয় আৰু তাৰ পিছত সহায়কাৰী 'হ' বা 'যা' ধাতুৰ সমাপিকা ক্ৰিয়া ৰূপ কৰি ব্যৱহাৰ কৰা হয়। সহায়কাৰী ক্ৰিয়াটো সদায় তৃতীয় পুৰুষত থাকে। অকৰ্মক ক্ৰিয়াৰহে ভাববাচ্য হ'ব পাৰে, সকৰ্মক হ'লে কৰ্মবাচ্য হয়। যথা—

এই বাটে যোৱা হ'ব (ভাববাচ্য)। কিন্তু (আমি) এই বাটে যাম (কৰ্তৃ)।

মোৰ শোৱা হ'ল (ভাব)। মই শুলোঁ (কৰ্তৃ)।
তাৰ পঢ়া হ'ল (ভাব)। সি পঢ়িলে (কৰ্তৃ)।
কিন্তু, তাৰ কিতাপ পঢ়া হ'ল। (কৰ্মবাচ্য)।
সি কিতাপ পঢ়িলে।(কৰ্তৃ)
তাৰ খেলা হ'ল। (ভাব)
সি খেলিলে। (কৰ্তৃ)
(সিহঁতে) ক্রিকেট খেল খেলিব (কৰ্তৃ)

## কৰ্ম-কৰ্তৃবাচ্য (Impersonal Voice)

২৭ ঃ ৬ যি বাক্যত কৰ্তা নাথাকিলেও কৰ্মই কৰ্তাৰ দৰে কাম কৰে আৰু ক্রিয়াটোৱে কৰ্মকে কৰ্তাৰ দৰে সূচাব লগীয়া হয়, তাক কৰ্ম-কৰ্তৃবাচ্যৰ বাক্য বোলে। কৰ্তাটো উল্লেখ নাথাকে, কৰ্মটোৱেই কৰ্তা স্বৰূপে ব্যৱহৃত হয়। ক্রিয়াটো সদায় তৃতীয় পুৰুষত থাকে। প্ৰকৃতিৰ নিয়ম অনুসাৰে ক্রিয়াটো আপোনা-আপুনি সিদ্ধি হয়। গতিকে পুৰুষহীন বাচ্য (Impersonal Voice) বুলিব পাৰি। যথা—

ৰ'দ দিছে। বৰষুণ দিছে।
কাপোৰ দিছে। বাঁহ ভাঙে।
জাৰ লাগিল। গিলাচ ভাগিল।
গুৰ মিঠা লাগে। কলহ ভৰে।
এপাত তাল কেতিয়াও নাবাজে।
চাদৰখনে নুশুৱায়।
কথাতো ভাল নুশুনায়।

কিন্তু যেতিয়া মূল ক্রিয়া কৃদন্ত হৈ 'হ', 'যা' বা 'পৰ' সহায়কাৰী ধাতুৰ সমাপিকা ক্রিয়া ৰূপ হৈ বাক্যটো সিদ্ধ হ'ব তেতিয়া কৰ্মবাচ্য হৈ পৰে। যথা—

ৰ'দ বা বৰষুণ দিয়া হৈছে। কাপোৰ ছিৰা হয়। বাঁহ ভঙা হয়। জাৰ লগা হ'ল। গিলাচ ভঙা হ'ল।

এপাত তাল কেতিয়াও বজা নাযায়। কথাটো ভাল শুনা নাযায়।

## বাচ্য পৰিৱৰ্তন ঃ

২৭ ঃ ৭ সাধাৰণতে কৰ্তৃবাচ্যত কৰ্তা আৰু কৰ্ম থাকে, কেতিয়াবা কৰ্ম নাথাকিবও পাৰে। কৰ্মবাচ্যতে কৰ্ম প্ৰধান হৈ পৰে। ভাববাচ্যত কৰ্ম নাথাকে। কৰ্ম-কৰ্তৃবাচ্যত কৰ্মই কৰ্তাৰ দৰে বহে।

(ক) সকৰ্মক ক্রিয়াৰ-কৰ্তৃবাচ্য হ'লে কৰ্ম থাকিলে কৰ্মবাচ্যলৈ আৰু কৰ্ম উল্লেখ নাথাকিলে ভাববাচ্যলৈ পৰিৱৰ্তন কৰিব পাৰি। যথা—

(১) মই কিতাপ পঢ়িলোঁ। ইয়াত পঢ়িলোঁ সকৰ্মক ক্রিয়া কৰ্তৃবাচ্যৰ বাক্য।
মোৰ কিতাপ পঢ়া হ'ল। কৰ্ম 'কিতাপ' উল্লেখ থকা বাবে কৰ্মবাচ্যৰ বাক্য।
(২) মই পঢ়িলোঁ (কৰ্তৃবাচ্য)। মোৰ পঢ়া হ'ল। (ভাববাচ্য)

DAILY ASSAM


(৩) সিহঁতে ফুটবল খেলিব (কৰ্তৃবাচ্য)।
সিহঁতৰদ্বাৰা ফুটবল খেলা হ'ব (কৰ্মবাচ্য)।
কিন্তু, (৪) সিহঁতে খেলিব (কৰ্তৃবাচ্য), সিহঁতৰ খেলা হ'ব (ভাববাচ্য)।

(খ) কৰ্মবাচ্যৰ বাক্যত কৰ্ম থাকে বাবে কৰ্মবাচ্যৰপৰা কৰ্তৃবাচ্য আৰু কৰ্ম নথকা ভাববাচ্যৰপৰাও কৰ্তৃবাচ্যলৈ পৰিৱৰ্তন কৰিব পাৰি।

(১) কামটো কৰা হ'ব (কৰ্মবাচ্য)। (আমি/মই) কামটো কৰিম (কৰ্তৃ)। (তই/তহঁতে) কামটো কৰিবি (কৰ্তৃ)। (সি/সিহঁতে) কামটো কৰিব (কৰ্তৃ)।

(২) তাইৰ বৰগীত গোৱা গ'ল (কৰ্ম)। তাই বৰগীত গালে (কৰ্তৃ)।

(৩) তাক মতা হৈছে (কৰ্ম)। তাক মাতিছোঁ (আমি/মই উহ্য)। (কৰ্তৃ)। তাক মাতিছ (তই/তহঁতে উহ্য) (কৰ্তৃ)। তাক মাতিছাঁ। (তুমি/তোমালোকে উহ্য) (কৰ্তৃ)। তাক মাতিছে (সি/সিহঁতে উহ্য) (কৰ্তৃ)।

(৪) মই ধৰা পৰিলোঁ (কৰ্ম)। মোক ধৰিলে (সি/সিহঁতে উহ্য) (কৰ্তৃ)।

(৫) তাক পোৱা নগ'ল (কৰ্ম)। তাক নাপালোঁ (মই/আমি উহ্য) (কৰ্তৃ)।

(৬) দিনত তৰা নেদেখি বা দেখা নাযায়। (কৰ্ম)। দিনত তৰা নেদেখোঁ। (আমি/মই উহ্য) (কৰ্তৃ)।

(৭) জুইত কলেজখন পোৰা গ'ল (কৰ্ম)। জুয়ে কলেজখন পুৰিলে (কৰ্তৃ)।

(৮) সি মৰা পৰিল (কৰ্ম)। সি মৰিল (কৰ্তৃ)।

(৯) মোৰ শোৱা হ'ল (ভাব)। মই শুলোঁ (কৰ্তৃ)।

(১০) এই বাটে যোৱা হ'ব (ভাব)। এই বাটে যাম, যাব (মই/আমি/সিহঁতে) (কৰ্তৃ)।

(গ) পুৰুষহীন বাচ্য বা কৰ্তৃ-কৰ্মবাচ্যত কৰ্তা নাথাকে। গতিকে কৰ্মকেই প্ৰধান কৰি বাচ্য পৰিৱৰ্তন কৰি কৰ্মবাচ্য পাব পাৰি। যথা—

১। আজি ৰ'দ দিছে (কৰ্ম-কৰ্তৃবাচ্য)। আজি ৰ'দ দিয়া হৈছে (কৰ্ম)।
২। বাঁহডাল ভাগিল (কৰ্মবাচ্য)। বাঁহডাল ভঙা হ'ল (কৰ্মবাচ্য)।
৩। চাদৰখন ছিৰিল (কৰ্ম-কৰ্তৃবাচ্য)। চাদৰখন ছিৰা গ'ল (কৰ্ম)।

## অনুশীলনী

১। বাক্যৰ বাচ্য বুলিলে কি বুজাঁ? ই কেইবিধ? প্ৰত্যেকৰে দুটিকৈ উদাহৰণ দিয়াঁ।
২। কৰ্মবাচ্য আৰু ভাববাচ্যৰ মাজত পাৰ্থক্য কোনখিনিত উদাহৰণ দি বুজাই দিয়াঁ।
৩। কৰ্তৃবাচ্য আৰু কৰ্ম-কৰ্তৃবাচ্যৰ মাজত থকা পাৰ্থক্য আলোচনা কৰাঁ।
৪। বাচ্য পৰিৱৰ্তন কৰাঁ ঃ
সি শুলে। মই কিতাপ পঢ়িছোঁ। তুমি ভাত খাইছাঁ। বৰষুণ দিছে। কলহ ভাগিল। জাৰ লাগিছে। মই তাক ধৰিলোঁ। তাক মতা হ'ল। দুৰৈৰ একোকে নেদেখি।